লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# পংকজ কুমাৰ নাথৰ কবিতা

## ১. কেণাটো

ভাষাৰ ব্যাকৰণ থাকে । নাথাকে মানুহৰ ।

মানুহৰ থাকে মন ।

আৰু,

মানুহে মনে যি কয় তাকে কৰে ।

হয় ।

ব্যৱস্থা এটা সৃষ্টি হয়, কল্যাণৰ অনুকূলেই ।

পিছে ব্যৱস্থাটোও চলায় মানুহেই যাৰ এটা মন থাকে ।

ব্যৱস্থা চলোৱা মানুহ ।

নিশ্চয়কৈ ডাঙৰ মানুহ ।

আকৌ চাওক,

ব্যাকৰণ পঢ়ি ভাষা শিকে মানুহে ।

সৰু মানুহ । সৰুটো বিশেষণ ।

ডাঙৰ মানুহ । ডাঙৰটো বিশেষণ ।

দুখী মানুহ । দুখীটো বিশেষণ ।

সুখী মানুহ । সুখীটো বিশেষণ ।

বিশেষণ আছে বাবেই,

হয়তো মানুহ,

মানুহ হৈ নাথাকে ।

## ২. *সাধু বন্দী*

সত্তৰ বছৰীয়া দেশমাতৃ আছিল সাধুকথাৰ ভাণ্ডাৰ

সদায় নতুন নতুন সাধু চমৎকাৰ ।

প্ৰথম সাধুটো আছিল স্বাধীনতাৰ

মেকুৰীয়ে পিঠা ভগোৱাৰ ।

এদিন যদি সাধু জয় জৱান । পাছদিনা জয় কিচান ।

সাধু ৰামৰাজ্যৰ । সাধু গোমাতাৰ ।

সাধু হিন্দুৰ । সাধু মুছলিমৰ ।

সাধু সীমান্ত ৰক্ষাৰ । সাধু পৰিবৰ্তনৰ ।

সাধু কাম ক্ৰোধ মোহৰ । সাধু বশীকৰণ আৰু যোগৰ ।

সাধু কুট নীতিৰ । সাধু পৃথিৱীৰ সমস্ত দেশৰ ।

সাধু যদি নাছিল – নাছিল শ্ৰোতা জনতাৰ ।

জনগণ ভোকে ভাগৰুৱা । দেশমাতৃয়ে কয়- বাচা, সাধু খোৱা, টোপনি যোৱা ।

জনগণ ভাগৰে আধামৰা । সাধু ফটিকাৰ ৰাগী ভৰা ।

পিছে, থাকেই নহয় দুই এক তীখৰ ।

গাখীৰৰ ফেন খোৱা, বুধিত বাখৰ । তীখৰে জানে- সাধু মানে কাহিনী । মন ভুলোৱা ।

সাধু মানেই মিছা ।

মাছ নহয়, মাছৰ ফিচা ।

গতিকে চিঞৰ বাখৰ ।

প্ৰশ্নৰ উপৰি প্ৰশ্ন-- তীখৰ ।

তীখৰে কয় – নুশুনো মিছাৰ সাধু । নাখাও কঠালৰ বাদু ।

দেশমাতৃ বৃদ্ধ । প্ৰশ্নই কৰি তোলে বাকৰূদ্ধ ।

তীখৰে প্ৰমাণ কৰে, প্ৰশ্ন সত্য ।

প্ৰেমে প্ৰতিবাদ মহামন্ত্ৰ বচাবলে গণ তন্ত্ৰ ।

## ৩. *জীৱন থাকে মানে কৰো কামি কাঠি...*

অলপ আগেয়ে – ল’ৰাটো এইখিনিতে ম’ম’ বিক্ৰী কৰি আছিল

অলপ পাছতে – ৰাজপথ ৰাঙলী মৃতদেহ এটি

অলপ আগেয়ে –হাঁহি এটি পিচলি পৰিব খুজিছিল ছোৱালীজনীৰ ওঁঠত

অলপ পাছতে – তাই শিল হৈ গ’ল, আই পিতা এহাল নিৰ্বাক হ’ল

অলপ আগেয়ে – ৰাষ্ট্ৰনেতাজনে এজাক কণমাণিৰ হাতে হাতে

গুজি দিলে একোটিকৈ গোলাপ

অলপ পাছতে – আকাশ কঁপাই উৰিল  যুদ্ধ বিমান

অলপ আগেয়ে – গা জুৰ পৰা বতাহ, সেউজ অৰণ্য এখন

অলপ পাছতে –  ক’লা চিঁয়াহীৰ চুক্তি কয়লা খননৰ

অলপ আগেয়ে – এইখিনিতে ঘৰে ঘৰে হাঁহি মুখ, মিঠা কলৰৱ

অলপ পাছতে – ৰু ৰু শূণ্যতা, জুই ধোৱা, বিকট চিঞৰ

অলপ আগেয়ে – পুৱতি নিশাৰ সপোন এটিয়ে চুমা যাচে

অলপ পাছতে – ৰ’দ ক’ত,  ক’ত ৰ’দ, কাল ধুমুহাই সমাধি ৰচে ।

## ৪. *পলৰীয়া*

সকলো ছবিয়েই কথা কয়

শিশুৱে অঁকা আঁক বাকবোৰে যিদৰে কয়
অকাল মৰণে মৰা ল'ৰাটোৰ শটো সাবটি
আউলী বাউলী হৈ কন্দা ছবিখনেও বহু কথা কয় ।

ছবিহে বুলি যিবোৰ ছবি পিছলৈ এৰি আমি আগবাঢ়ি যাওঁ
যিবোৰ ছবি আমাৰ ঘৰত নাই বুলি স্বস্তিৰ নিশ্বাস এৰো
সদায় দেখি থাকো বুলি যিবোৰ ছবিৰ প্ৰতি আমি উদাসীন

এদিন নহয় এদিন
সেইবোৰ ছবিয়েই আমাৰ বুকুৰ বেৰতো ওলমে

ছবিবোৰ মাজে মাজে চোৱা ভাল
ছবিয়ে কোৱা কথাবোৰ শুনাটো ভাল

(দ্ৰষ্টব্য: বিদ্যুৎপৃষ্ট হৈ পুৱা যিজন ডেকাল'ৰা মৰি গ'ল)

**যোগাযোগৰ ঠিকনা:**
নুনমাটি, গুৱাহাটী- ২০